ওড়িশাত ভগৱান জগন্নাথ, ভগৱান বলভদ্র আৰু দেৱী সুভদ্ৰাৰ ৰথ তিনিখন কালি বিয়লি ঘুনুচা মন্দিৰত উপস্থিত হয়। ইয়াৰ জৰিয়তে পৰহি আৰম্ভ হোৱা বিশ্ব বিখ্যাত ৰথ যাত্ৰাৰ প্ৰথম খেপৰ সামৰণি পৰে। সহস্ৰাধিক ভক্তই ৰথ টানি নিয়া কাৰ্যত ভাগ লোৱাৰ লগতে লক্ষ্যাধিক ভক্তই এই ৰথযাত্ৰা দৰ্শন কৰিবলৈ পুৰীৰ গ্ৰেণ্ড ৰোডত সমৱেত হয়। তিনিগৰাকী ভগৱানৰ এই ৰথযাত্ৰা পৰহি বিয়লি আৰম্ভ হৈছিল যদিও সূৰ্যাস্তৰ বাবে ৰাতিটো যাত্ৰা বন্ধ ৰখা হয়। ১৯৭১ চনৰ পাছত প্ৰথমবাৰৰ বাবে দুদিনীয়াকৈ আয়োজিত এই ৰথযাত্ৰা কালি পুৱা পুনৰ আৰম্ভ হয়। বিশাল আকৃতিৰ তিনিওখন ৰথ কালি নিশাটো মন্দিৰৰ বাহিৰত ৰখা হয় আৰু আজি পুৱা বিধিগত পূজা-অৰ্চনাৰ পাছত তিনিওগৰাকী ভগৱানক ঘুনুচা মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰোৱা হ'ব। শ্ৰী ঘুনুচা মন্দিৰত তিনিওগৰাকী ভগৱানক এসপ্তাহলৈ ৰখা হ'ব আৰু তাৰ পাছত জগন্নাথ মন্দিৰলৈ বাহুড়া যাত্ৰা নামেৰে খ্যাত ওভটনি যাত্ৰা আৰম্ভ হ'ব।

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আজি থিৰুৱনন্তপুৰমত ৰাজ্যিক বিজেপিৰ এখন কাৰ্যনিৰ্বাহক সভাত ভাগ লোৱাৰ বাবে কেৰালালৈ যাব। দলৰ ৰাষ্ট্ৰীয় সংবাদ মাধ্যম শাখাৰ মুৰব্বী অনিল বালুনিয়ে প্ৰকাশ কৰা অনুসৰি এয়া হ'ল লোকসভা নিৰ্বাচনৰ পাছত শ্ৰী নাড্ডাৰ প্ৰথমটো কেৰালা ভ্ৰমণ। তেওঁ কয় যে সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত বিজেপিয়ে কেৰালাত কেৱল আসনৰ সংখ্যা মুকলি কৰাই নহয়, বৰং ভোটৰ অংশও চকুত লগা ধৰেণ বৃদ্ধি কৰিছে।

ooooo

ভাৰতীয় অলিম্পিক সংস্থা- আই অ' এয়ে গগন নাৰঙক ২৬ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া চলিত বৰ্ষৰ পেৰিছ অলিম্পিকত ভাগ ল'বলগীয়া ভাৰতীয় দলৰ ছেফ দ্যা মিছন হিচাপে ঘোষণা কৰিছে। চাৰিবাৰকৈ অলিম্পিকত অংশগ্ৰহণ কৰা তথা ২০১২ চনৰ অলিম্পিক ক্ৰীড়া সমাৰোহৰ পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰা গগন নাৰঙে এম চি মেৰিকমৰ ঠাইত এই দায়িত্ব গ্ৰহণ কৰিব।

আই অ' এৰ অধ্যক্ষ ড০ পি টি উষাই কালি কয় যে, মেৰিকমে  পদত্যাগ কৰাৰ পাছত উপ-ছেফ দ্যা মিচন হিচাপে থকা শ্ৰী নাৰঙক এই দায়িত্ব অৰ্পণ কৰা হয়। ড০ উষাই লগতে দুবাৰকৈ অলিম্পিকত পদক অৰ্জন কৰা একমাত্ৰ ভাৰতীয় মহিলা খেলুৱৈ পি ভি সিন্ধুৱে টেবল টেনিছ তাৰকা অশান্ত সৰথ কমলৰ সৈতে ভাৰতীয় দলৰ পতাকা বহন কৰিব বুলি ঘোষণা কৰে। ড০ উষাই প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈসকলে দেশৰ বাবে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন উজাৰি দিবলৈ সম্পূৰ্ণৰূপে সাজু বুলি বিশ্বাস ব্যক্ত কৰে।

ooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলটো আজি দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। শৃংখলাটোৰ প্ৰথমখন খেলত একেখন ষ্টেডিয়ামতে আলহী দলটোৱে ভাৰতৰ ১২ ৰানৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয় খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষিত হৈছিল।

ooooo

